# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - -**

১। চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সিদ্ধান্ত। পৰহিলৈ শপতগ্ৰহণ অনুষ্ঠান।

২। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষাৰ ফলাফল ঘোষণা।

৩। ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে অনুষ্ঠিত তৃতীয় স্বাস্থ্য সেৱা উৎসৱৰ সামৰণি।

৪। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নাবিছৰ আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

**আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত মাষ্টাৰ্ছ ছুপাৰ হান্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত এম তৰুণৰ পুৰুষৰ শাখাত আৰু কে সাত্বিক ৰেড্ডী আৰু বৈষ্ণৱী খাটকেকাৰৰ মিক্সড ডাবলছৰ যুটীৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০০

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে পৰহিলৈ অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। চাৰিগৰাকী বিধায়কে শনিবাৰে দিনৰ ১২ বজাত মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম এক্সযোগে এই কথা প্ৰকাশ কৰিছে। এই নতুন মন্ত্ৰীসকল হ'ব ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা। মুখ্যমন্ত্ৰীয়ে তেওঁৰ বাৰ্তাটোত মন্ত্ৰীসভাত নতুনকৈ অন্তৰ্ভুক্ত হ'বলগীয়া বিধায়ককেইগৰাকীক আগতীয়া শুভেচ্ছা জ্ঞাপন কৰিছে। মন্ত্ৰীসভা এই সম্প্ৰসাৰণৰ বিষয়ে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে এইদৰে কয়- **বাইট**

০০০০০

অসম লোকসেৱা আয়োগে আজি সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষা-২০২৩ৰ ফলাফল ঘোষণা কৰে। আয়োগে অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু সংলগ্ন সেৱাৰ মুঠ ২৩৫ গৰাকী প্ৰাৰ্থী নিযুক্তিত অনুমোদন দিছে। চিৰঞ্জীৱ ফুকনে ৮৭২ নম্বৰেৰে প্ৰথম স্থান লাভ কৰে। এনিশা বুঢ়াগোহাঁইয়ে ৮২৩ নম্বৰ লাভ কৰি মহিলা প্ৰাৰ্থীৰ ভিতৰত প্ৰথম স্থান দখল কৰে। হিমান্দ্ৰি জিতা বৰাই তৃতীয় স্থান আৰু মৃগাক্ষী বৰুৱাই চতুৰ্থ স্থান লাভ কৰে। পঞ্চম স্থান দখল কৰে টুটুমণি কাকতিয়ে। প্ৰথম দহৰ ভিতৰত থকা আন স্থানপ্ৰাপক সকলৰ ভিতৰত আছে মৃদুস্মিতা ৰয়, মেৰী কলিতা, দীক্ষা সৰকাৰ, নিলম গাৰ্গ আৰু অংকিতা ছেত্ৰী। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে পদ সংৰক্ষণ কৰা

হৈছে। মুঠ ২৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত অসামৰিক সেৱাৰ ৪৫ জন, অসম আৰক্ষী সেৱাৰ ৩৫ জন, অসম লেখ সেৱাৰ ১০৭ জন, হিচাপ পৰিক্ষণৰ ১১ জন, কৰ অধীক্ষকৰ এজন, আবকাৰী অধীক্ষকৰ এজন, অসম বিত্ত সেৱাৰ ১৩ জন, খণ্ড উন্নয়ন বিষয়াৰ ৬ জন, সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ ৪ জন, কৰ পৰিদৰ্শকৰ ৪ জন, শ্ৰম পৰিদৰ্শকৰ ৪, সহকাৰী নিয়োগ বিষয়াৰ এজন আৰু উপ-পঞ্জীয়কৰ ৩ জন প্ৰাৰ্থীক নিযুক্তিৰ বাবে আয়োগে আজি অনুমোদন দিছে।

নিযুক্তিৰ বাবে আয়োগে অনুমোদন দিয়া ২৩৫ গৰাকীৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ ৩৭, নগাঁও জিলাৰ ১৯, কামৰূপ জিলাৰ ১৮, ডিব্ৰুগড় জিলাৰ ১৩ আৰু লখিমপুৰ জিলাৰ ১২ গৰাকী প্ৰাৰ্থী আছে। বৰপেটা, তিনিচুকীয়া আৰু যোৰহাট জিলাৰ ১১ গৰাকীকৈ আৰু বিশ্বনাথ, শিৱসাগৰ আৰু শোণিতপুৰ জিলাৰ ৮ গৰাকীকৈ প্ৰাৰ্থী আছে। ৭ গৰাকীকৈ প্ৰাৰ্থী ধেমাজি, ডিমা হাচাও, গোলাঘাট, নলবাৰী আৰু ওদালগুৰি জিলাৰ। চৰাইদেউ আৰু কাছাৰ জিলাৰ ৬ গৰাকীকৈ আৰু দৰং আৰু বাক্সা জিলাৰ ৫ গৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে। ৩ গৰাকীকৈ প্ৰাৰ্থী কোকৰাঝাৰ, গোৱালপাৰা, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙৰ। বঙাইগাঁও, চিৰাং, কাৰ্বি আংলং আৰু মৰিগাঁও জিলাৰ দুগৰাকীকৈ আৰু বজালী আৰু শ্ৰীভূমি জিলাৰ এগৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে।

ooooo

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে সমগ্ৰ অসমত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা তৃতীয় স্বাস্থ্য সেৱা উৎসৱৰ আজি সামৰণি পৰে। ২০২২ বৰ্ষৰ পৰা ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাঁথনি মূল্যায়ন কৰা হয়।

আমাৰ আগৰ বাতৰিত কোৱা হৈছে যে **কামৰূপ** মহানগৰ জিলাৰ ৫৬টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **মাজুলী**ৰ ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়া**ৰ ১৭ খন চিকিৎসালয় আৰু ৫টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন আৰু **নগাঁও** জিলাৰ ৩২ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮টা আৰু **কাৰ্বি আংলং** জিলাৰ ৩৬টা চিকিৎসা প্ৰতিষ্ঠানত তিনিদিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হয়। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাঁও** জিলাৰ ২৯টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়িত হয়। গোৱালপাৰা জিলাত ৫১টা চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থাৰ **প্ৰোবা থ্ৰী** কৃত্ৰিম উপগ্ৰহ কঢ়িয়াই নিয়া PSLV-C59 যানখনৰ সফল উৎক্ষেপন সম্পন্ন কৰে। উৎক্ষেপন যানখনে বিয়লি ৪ বাজি ৪ মিনিটত মহাকাশলৈ উৰা মাৰে। ইছৰোই উৎক্ষেপনৰ পাছত সামাজিক মাধ্যম এক্সযোগে কয়, যে PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা-থ্ৰী শ্ৰেণীৰ এলানি কৃত্ৰিম উপগ্ৰহ নিৰ্ধাৰিত কক্ষপথত স্থাপন কৰাৰ লক্ষ্যৰে উৰা মাৰিছে। প্ৰোবা-থ্ৰী ইউৰোপীয় মহাকাশ সংস্থাৰ এটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী আৰু ইয়াৰ অধীনত দুটা উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

বি জে পি নেতা দেৱেন্দ্ৰ ফাড়নবিছে আজি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ফাড়নবিছৰ সৈতে শিৱসেনাৰ একনাথ সিন্দে আৰু এন চি পিৰ অজিত পাৱাৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত লয়। মুম্বাইৰ আজাদ ময়দানত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে তেওঁলোকক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকীও জ্যেষ্ঠ কেন্দ্ৰীয় মন্ত্ৰী, এন ডি এ শাসিত ৰাজ্যসমূহৰ ৰাজ্যপাল-মুখ্যমন্ত্ৰী, দলৰ বিষয়ববীয়া আৰু মহায়ুটি মৰ্চাৰ নেতাই শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

০০০০০

স্নাতক আৰু স্নাতকোত্তৰ বিষয় শিক্ষক পদৰ বাবে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আজি এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে আবেদনকাৰীসকলে ১৫ ডিচেম্বৰৰ পুৱা ১১ বজাৰ পৰা প্ৰৱেশ পত্ৰ ডাউনল'ড কৰিব পাৰিব। প্ৰাৰ্থীসকলে পৰীক্ষাৰ দিনা প্ৰৱেশ পত্ৰৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো ফটোযুক্ত পৰিচয় পত্ৰ দেখুৱাব লাগিব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৮ হাজাৰ ২৩০টা স্নাতক আৰু এহেজাৰ ৪৮৭টা স্নাতকোত্তৰ শিক্ষক পদৰ বাবে পূৰ্বতে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বিশ্বনাথ জিলাৰ আয়ুক্ত কাৰ্লায়ত অনুষ্ঠিত এখন বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে ১৫ জানুৱাৰীৰ ভিতৰত আঁচনিসমূহৰ কাম-কাজ সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে যাৱতীয় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীদাসে সফলতাৰ হাৰ পূৰ্বতকৈ সন্তোষজনক বুলি মন্তব্য কৰে। তেওঁ লগতে পূৰ্বৰ কামসমূহ ডিচেম্বৰৰ ভিতৰত শেষ হ'ব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্যৰ বাবে পূৰ্বতে আবণ্টিত ২০ লাখ বাসগৃহৰ ভিতৰত প্ৰায় ১৯ লাখ ৬০ হাজাৰ গৃহৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ অধীনত ৰাজ্যখনলৈ নতুনকৈ প্ৰদান কৰা ১ লাখ ৭১ হাজাৰ বাসগৃহ নিৰ্মাণ কাৰ্যৰ ক্ষীপ্ৰ ৰূপায়ণত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। বিশ্বনাথ জিলাই নতুনকৈ ৯ হাজাৰ ৭০০ বাসগৃহৰ আৱণ্টন লাভ কৰা বুলিও বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি নগাঁৱত উপস্থিত হোৱা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আজি বঢ়মপুৰ অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয়। বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে প্ৰাৰ্থনাৰে ৰাজ্যপালগৰাকীক আদৰণি জনোৱাৰ পাছত মত বিনিময় অনুষ্ঠান সম্পন্ন হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই শিক্ষাৰ্থীসকলৰ মাজত স্মাৰ্টফোন আৰু ইলেকট্ৰনিক লাখুটি বিতৰণ কৰে।

উল্লেখযোগ্য যে আজি পুৱাৰ ভাগত ৰাজ্যপালগৰাকী মহামৃত্যুঞ্জয় মন্দিৰত উপস্থিত হৈ পূজা-অৰ্চনাত ভাগ লয়। বিধায়ক জিতু গোস্বামী আৰু জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে শ্ৰীআচাৰ্যক সংগ দিয়ে।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা- চি বি আইৰ বিশেষ আদালতে আজি অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰি গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত মিণ্টু দাসক পাঁচ দিনৰ বাবে চি বি আইৰ জিম্মালৈ প্ৰেৰণ কৰে। চি বি আয়ে  দীৰ্ঘদিন ধৰি পলাতক অৱস্থাত থকা অভিযুক্ত দাসক কালি দিল্লীৰ পৰা গ্ৰেপ্তাৰ কৰিছিল আৰু সোধা-পোচা কৰাৰ বাবে অভিযুক্তজনক সাত দিনৰ জিম্মাত বিচাৰিছিল।

০০০০০

নতুন দিল্লীৰ প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা তিনি-দিনয়াকৈ অষ্টলক্ষ্মী মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়, উত্তৰ পূব হস্তশিল্প আৰু হস্ততাঁত উন্নযন নিগম লিমিটেড আৰু ইনভেষ্ট ইণ্ডিয়াই প্ৰথম বাৰৰ বাবে আয়োজন কৰা এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ শিল্প কলা, চহকী বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মী ৰূপে পৰিচিত উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত অঞ্চলটোৰ অপাৰ সম্ভাৱনা আৰু জীৱন্ত সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অসমৰ প্ৰিয়ংকা ডি পাটোৱাৰী, অৰুণাচল প্ৰদেশৰ জেঞ্জুম গড়ি, মেঘালয়ৰ ডেনিয়েল চিয়েম, মণিপুৰৰ ৰিছানা খুনমাস্থেমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ভালেকেইগৰাকী আগশাৰীৰ ডিজাইনাৰৰ ফেশ্বন শ্ব'ৱো দিহা কৰা হৈছে।

০০০০০

তামুলপুৰৰ জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জিলাখনত বনভোজৰ দলসমূহৰ ওপৰত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। এই অনুসৰি বনভোজৰ দলসমূহে পুৱা ৯ বজাৰ পূৰ্বে বনভোজস্থলীত উপস্থিত হ'ব নোৱাৰিব আৰু বিয়লি ৪ বজাৰ আগতে বনভোজস্থলী ত্যাগ কৰিব লাগিব। প্লাষ্টিক আৰু উচ্চ প্ৰাবল্যৰ শব্দযন্ত্ৰৰ ব্যৱহাৰৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাখনৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ৰ সহযোগত অহা ৮ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উপ-ৰাষ্ট্ৰীয় পলিঅ' দিৱস উদযাপন কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ ৫ বছৰ তলৰ এক লাখ ৪০ হাজাৰ ৭১৩টা শিশুক ৮৫৭টা কেন্দ্ৰত প্ৰতিষেধক দিয়া হ'ব। ইতিমধ্যে ৩৪৯ গৰাকী এ এন এম, এহেজাৰ ১০ গৰাকী আশাকৰ্মী, এহেজাৰ ১১৯ গৰাকী অংগনৱাড়ী কৰ্মী, ২১১ গৰাকী পৰিদৰ্শক আৰু ২৯১ গৰাকী স্বেচ্ছাসেৱকক এই কাৰ্যসূচীত নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে ৮ ডিচেম্বৰত মঙলদৈ অসামৰিক চিকিৎসালয়ৰ চৌহদত উপ-ৰাষ্ট্ৰীয় পলিঅ' দিৱসৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

সৰুপথাৰত কাইলৈৰ পৰা ৯ ডিচেম্বৰলৈ নেপালী সাহিত্য সভাৰ ষোড়শ ত্ৰিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ কেইবাগৰাকীও সাহিত্যিকে অংশগ্ৰহণ কৰিব। ৯ ডিচেম্বৰত সভাৰ মুকলি অধিৱেশনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা অধিৱেশনত উপস্থিত থকাৰ কথা।

০০০০০

কংগ্ৰেছৰ শীৰ্ষ নেতা আৰু সম্ভলৰ হিংসাত্মক ঘটনা সন্দৰ্ভত বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই উত্থাপন কৰা অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰা বাবে স্থগিত ৰাখিবলগীয়া হয়। সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ পাছত বিয়লি ৩ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'লৱে সংশোধনী বিধেয়ক ২০২৪ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰাখে। এনে পৰিস্থিতিত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে শূন্যকালত ফ্ৰান্সৰ এটা প্ৰকাশনৰ প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰী ডুবেই কয়, যে এনেধৰণৰ শক্তিসমূহে দেশৰ সংসদ আৰু অৰ্থ ব্যৱস্থাৰ উন্নয়নৰ গতি বিঘ্নিত কৰাৰ বাবে চেষ্টা চলাই আছে। তেওঁ লগতে ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীকে ধৰি কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ একাংশ নেতাই নিজৰ ছ'চিয়েল মিডিয়া হেণ্ডেলত এনেধৰণৰ প্ৰতিবেদন পোষ্ট কৰা বুলি অভিযোগ তোলে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে আৰু অন্য দলৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ উৎকোচ কাণ্ড আৰু সম্ভলৰ হিংসাৰ ঘটনাক লৈ সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অশান্ত পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত কৰাৰ কথা ঘোষণা কৰে।

ooooo

গুৱাহাটীত অনুষ্ঠিত মাষ্টাৰ্ছ ছুপাৰ হাণ্ড্ৰেড আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ এম তৰুণে পুৰুষৰ শাখাত আৰু কে সাত্বিক ৰেড্ডী আৰু বৈষ্ণৱী খাটকেকাৰৰ মিক্সড ডাবলছৰ যুটীটোৱে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। সৰুসজাই ক্ৰীড়া প্ৰকল্পত চলি থকা প্ৰতিযোগিতাখনত আজি অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তৰুণে ২৪-২২, ১৫-২১, ২১-১৩ৰ ব্যৱধানত শীৰ্ষ বাছনিৰ ভাৰতীয় শ্বাটলাৰ প্ৰিয়াংশু ৰাজাৱাটক পৰাস্ত কৰে। তেওঁৰ লগতে ভাৰতীয় খেলুৱৈ সতীশ কুমাৰ, ৰবি ৰবি আৰু আয়ুস চেত্তীয়ে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ইফালে মহিলাৰ একক শাখাত ভাৰতৰ তনবী শৰ্মা, মানসী সিং আৰু অনমল খাৰ্বেইয়ে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। ডাবলছত টানিশা ক্ৰাষ্ট'ই মহিলা আৰু মিক্সড ডাবলছ উভয় শাখাতে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত ভাৰতৰ লগতে চীন, মালয়েছিয়া, থাইলেণ্ড, ফ্ৰান্স আৰু ইংলেণ্ডৰ খেলুৱে প্ৰত্যাশিত অগ্ৰগতি অব্যাহত ৰাখিছে।

ooooo

সমাপ্ত